# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-8-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কিছু সময় পাছতে ৰাষ্ট্ৰক উদ্দেশ্যি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ।

২। ৰাজ্যৰ প্ৰতিখন জিলাতে স্বাধীনতা দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ। খানাপাৰাত স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী।

৩। ৰাজ্যৰ ৬৯ গৰাকী বিষয়া-কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক আৰু মুখ্যমন্ত্ৰীৰ আৰক্ষী পদকসমূহ ঘোষণা।

৪। শিৱসাগৰ আৰু চৰাইদেউ জিলাত শেহতীয়া বানত ক্ষতি হোৱা সাঁচিপতীয়া পুথিসমূহৰ পুনৰ উদ্ধাৰৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ বিশেষ উদ্যোগ।

***আৰু***

৫। গুৱাহাটীৰ খানাপাৰাত ৮০ কোটি টকা মূল্যৰ মাদকদ্ৰব্যসহ  এজনক গ্ৰেপ্তাৰ।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰ হোৱা অসমীয়া বাতৰি সন্ধিয়া ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০০০

সমগ্ৰ দেশত কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। ৰাজ্যৰ ভিন্ন প্ৰান্ততো স্বাধীনতা দিৱসৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাত কেন্দ্ৰীয়ভাৱে  আয়োজন কৰা স্বাধীনতা দিৱসৰ অনুষ্ঠানত পতাকা উত্তোলন কৰিব। খানাপাৰাত হ'বলগীয়া কুচ-কাৱাজ আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অনুশীলন পূৰ্ণগতিত অব্যাহত আছে। স্বাধীনতা দিৱসৰ কুচ-কাৱাজত এইবাৰ প্ৰথমবাৰৰ বাবে বিহু সংযোজন কৰা হ'ব। এছ্ এফ এছ্ স্কুলৰ ছাত্ৰীসকলৰ বেণ্ডে পৰিৱেশন কৰিবলগীয়া বিহু এইবাৰৰ কুচ-কাৱাজৰ মূল আকৰ্ষণৰূপে বিবেচিত হৈছে। ইয়াৰ সমান্তৰালভাৱে বিভিন্ন জিলা সদৰত মন্ত্ৰী বিধায়কসকলে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়তো ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি চৌহদত পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

০০০০০

দেশৰ স্বাধীনতাৰ গৌৰৱময় যাত্ৰাৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৰ ঘৰ তিৰংগা অভিযানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰৰ পৰা খানাপাৰা খেল পথাৰলৈ আজি বিয়লি উলিওৱা হৰ ঘৰ তিৰংগা যাত্ৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াও অংশগ্ৰহণ কৰে। দেশৰ স্বাধীনতা, অখণ্ডতা, ঐক্য আৰু সাৰ্বভৌমত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি উলিওৱা এই গৌৰৱময় যাত্ৰা সন্দৰ্ভত সভাপতি দিলীপ শইকীয়াই এইদৰে কয়-

(বাইট ঃ শইকীয়া)

বজালী জিলা সমিতিৰ উদ্যোগত আজি পাঠশালাত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত বিজেপিৰ বজালী জিলা সমিতিৰ সদস্যসকলে জনসাধাৰণৰ মাজত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰে। কাৰ্যসূচীৰ শুভাৰম্ভ কৰি দলৰ বজালী জিলা সমিতিৰ সভাপতি মুকুট কলিতাই দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু বলিদানক স্মৰণ কৰাৰ লগতে প্ৰতিগৰাকী নাগৰিককে নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি এই অভিযান সফল কৰি তুলিবলৈ আহ্বান জনায়। কাৰ্যসূচীৰ অংশ হিচাপে আজি লাহৰীঘাট সমজিলা প্ৰশাসনৰ উপস্থিতিত লাহৰীঘাট উন্নয়ন খণ্ডৰ অংগনবাড়ী কৰ্মীসকলে ৰাষ্ট্ৰীয় গীত পৰিবেশন কৰে।

গোৱালপাৰা জিলা প্ৰশাসনে হৰ ঘৰ তিৰংগা অভিযানৰ লগত সংগতি ৰাখি প্ৰতি দিনে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এই উপলক্ষে আজি নটসূৰ্য ফণী শৰ্মা ভৱনত বিভাজন বিভীষিকা স্মৃতি দিৱস শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক চন্দন শৰ্মা মুখ্য বক্তা হিচাপে উপস্থিত থাকে। তেওঁ দেশ স্বাধীন হোৱাৰ সময়ত ভাৰত বিভাজনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা গোষ্ঠীগত সংঘৰ্ষৰ বিভীষিকাৰ বিষয়ত আলোকপাত কৰে।

০০০০০

৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আজি মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক আৰু মুখ্যমন্ত্ৰীৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। গৃহ বিভাগে প্ৰকাশ কৰা এখন জাননীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ৰাজ্যৰ কেইবাগৰাকীও প্ৰশাসনিক তথা আৰক্ষী বিষয়া, অগ্নিনিৰ্বাপক বাহিনীৰ জোৱান আৰু কাৰাগাৰৰ কৰ্মচাৰীক এই গুৰুত্বপূৰ্ণ পদকসমূহ প্ৰদান কৰাৰ কথা ঘোষণা কৰে। ইয়াৰে মুঠ ৩৩গৰাকী বিষয়া-কৰ্মচাৰীক মুখ্যমন্ত্ৰীৰ সংকটকালীন বিশেষ সেৱা পদক আৰু ৩৬গৰাকীক উৎকৃষ্ট সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে ৰাজ্যৰ শান্তি-শৃংখলা ৰক্ষা, সংকটময় পৰিস্থিতিত সাহসিকতাপূৰ্ণ সেৱা আৰু উৎকৃষ্ট কৰ্মৰ স্বীকৃতিস্বৰূপে প্ৰতি বছৰে স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি এই পদকসমূহ প্ৰদান কৰা হয়।

সংকটজনক পৰিস্থিতিত অসাধাৰণ সাহসিকতা আৰু প্ৰশংসনীয় সেৱা আগবঢ়োৱাৰ বাবে আৰক্ষী মহাপৰিদৰ্শক দেৱজ্যোতি মুখাৰ্জী, আই পি এছ বিষয়া অংকুৰ জৈন, পদ্মনাভ বৰুৱাকে ধৰি ৩৩গৰাকী বিষয়া-কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰী বিশেষ সেৱা বঁটা আগবঢ়োৱা হৈছে। একেদৰে দীৰ্ঘদিনীয়া উৎকৃষ্ট সেৱা আৰু কৰ্তব্যনিষ্ঠাৰ স্বীকৃতিস্বৰূপে আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, এ পি এছ বিষয়া পৰিন্দ্ৰ কুমাৰ নাথ, দেৱাশীষ শৰ্মাকে ধৰি মুঠ ৩৬গৰাকী বিষয়া তথা জোৱানক মুখ্যমন্ত্ৰীৰ আৰক্ষী পদক প্ৰদান কৰা হ'ব।

০০০০০

দেশজুৰি কাইলৈ উদযাপিত হ'বলগীয়া ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক্‌ক্ষণত গোৱালপাৰা জিলা আৰক্ষীয়ে বিশেষ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ নেতৃত্বত জিলা আৰক্ষীয়ে অসম-মেঘালয় সীমান্ত অঞ্চলত নিশা যাপন কৰাৰ লগতে আজি পুৱা প্ৰায় ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ চাইকেল সমদলেৰে দুয়োখন ৰাজ্যৰ সীমামূৰীয়া নিছানগ্ৰামত উপস্থিত হয়। নিছানগ্ৰামত আৰক্ষীৰ দলটোৱে এখন প্ৰীতি ফুটবল

খেলত অংশগ্ৰহণ কৰাৰ লগতে এখন সজাগতামূলক সভাও অনুষ্ঠিত কৰে। অসম আৰু মেঘালয়ৰ মাজত সমন্বয়ৰ বাৰ্তাৰ প্ৰসাৰৰ উদ্দেশ্যে আয়োজন কৰা এই সভাত সীমামূৰীয়া অঞ্চলটোৰ বিভিন্ন সমস্যা সন্দৰ্ভত মত বিনিময় কৰা হয়। জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক বিদ্যুৎ বিকাশ বৰা ভূঞাই আঁত ধৰা এই সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই অঞ্চলটোৰ ৰাইজক শান্তিপূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ আহ্বান জনাই বুলি আকাশবাণীৰ গোৱালপাৰাৰ সংবাদদাতাই জানিবলৈ দিছে।

স্বাধীনতা দিৱস উপলক্ষে মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি গঢ়ি তোলা হৈছে। বিশেষকৈ সীমান্তৰ নদী পথেৰে যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয়, তাৰ বাবে আৰক্ষীয়ে বিগত কেইবাদিন ধৰি অহৰ্নিশে পহৰাৰ ব্যৱস্থা কৰিছে। বি এছ এফৰ কঠোৰ নিৰাপত্তাৰ সমান্তৰালকৈ অসম আৰক্ষীয়েও নদী সীমান্তত নিয়মিয়াকৈ তহল দি থকা পৰিলক্ষিত হৈছে। সুৰক্ষিত আৰু শান্তিপূৰ্ণ পৰিৱেশত স্বাধীনতা দিৱস উদযাপন নিশ্চিত কৰাৰ লক্ষ্যৰে জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ নিৰ্দেশত এই বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত সুখচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হেমন্ত ৰয়ে এইদৰে কয়-

(বাইট)

০০০০০

স্বাধীনতা দিৱসৰ উদযাপনৰ প্ৰস্তুতিৰ অংশ হিচাপে সৈনিক কল্যাণ সঞ্চালকালয় আৰু ১৯খন জিলাৰ সৈনিক কাৰ্যালয়ৰ উদ্যোগত ৰাজ্যজুৰি বিভিন্ন দেশপ্ৰেমমূলক তথা জনকল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ অংশস্বৰূপে হৰ ঘৰ তিৰংগা, চাইকেল আৰু বাইক ৰেলী, গছপুলি ৰোপণ, সজাগতা সভা, সাংস্কৃতিক অনুষ্ঠান, দেশপ্ৰেমমূলক গান তথা প্ৰবন্ধ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। স্বাধীনতা দিৱসৰ তাৎপৰ্য জনসাধাৰণক অৱগত কৰা আৰু শান্তি, একতা তথা দায়িত্বশীল নাগৰিকৰ মূল্যবোধ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাই এই প্ৰাক্-স্বাধীনতা দিৱস উদযাপনৰ মূল্য লক্ষ্য আছিল।

০০০০০

উজনি অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাত শেহতীয়া বানত ক্ষতি হোৱা সাঁচিপতীয়া পুথিসমূহৰ পুনৰ উদ্ধাৰৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে উদ্যোগ গ্ৰহণ কৰিছে। সেই অনুসৰি বানে ক্ষতি কৰা সাঁচিপতীয়া পুথিসমূহ পুনৰ উদ্ধাৰ কৰি বিজ্ঞান সন্মত পদ্ধতিৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সেইসমূহ সংৰক্ষণৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে। সেয়েহে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ অনুষ্ঠান-প্ৰতিষ্ঠান অথবা ব্যক্তি বিশেষৰ হাতত থকা যিসমূহ সাঁচিপতীয়া পুথিৰ ক্ষতিসাধন হৈছে, সেই পুথিসমূহ কলাক্ষেত্ৰ সমাজে সংগ্ৰহ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। কলাক্ষেত্ৰ সমাজে বিশেষজ্ঞৰ জৰিয়তে প্ৰয়োজনীয় বিজ্ঞানসন্মত ব্যৱস্থাৰ মাধ্যমেৰে সংৰক্ষণৰ দিহা কৰিব আৰু সংশ্লিষ্ট পক্ষই বিচাৰিলে পুথিসমূহ ঘূৰাই দিব বুলি প্ৰকাশ কৰিছে। ইপিনে পুনৰ উদ্ধাৰ কৰা পুথিসমূহ সংশ্লিষ্ট পক্ষই কলাক্ষেত্ৰলৈ আগবঢ়াব বিচাৰিলে তেনে পুথিসমূহ কলাক্ষেত্ৰ সমাজে কাইকভাৱে সংৰক্ষণৰ দায়িত্ব বহন কৰিব। এই বিষয়ত সংশ্লিষ্ট পক্ষই- সচিব, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ, পাঞ্জাবাৰী, গুৱাহাটীৰ ঠিকনাত যোগাযোগ কৰাৰ লগতে ৯৪০১৮-০১৩৭৪/৮০১১০-৫০৮৯৭ নম্বৰলৈ ফোন কৰিব পাৰিব।

০০০০০

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ ঐতিহ্যমণ্ডিত সামাজিক-সাংস্কৃতিক অনুষ্ঠান দীপক সংঘই ব্যতিক্ৰমী চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সুধাকণ্ঠৰ চিৰ যুগমীয়া গীতসমূহক ভিত্তি হিচাপে লৈ **লক্ষজনে লক্ষ্য পোৱা তুলিকা তুলি লোৱানা** শীৰ্ষক এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ, নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ আৰু স্নাতক শ্ৰেণীৰ পৰা উচ্চ

পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তিনিটা শাখাত আয়োজন কৰা এই প্ৰতিযোগিতা  কাইলৈ পুৱা ১০ বজাত দীপক সংঘৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। বিশেষ টাস্ক ফ'ৰ্ছে আজি এনে এটা চক্ৰৰ বিৰুদ্ধে অভিযান চলাই ৮০ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ কৰে। টাস্ক ফ'ৰ্চৰ এটা দলে গুৱাহাটী ছয়মাইলৰ চচলৰ এটা ফ্লেটত অভিযান চলাই ১০ কিলোগ্ৰাম হেৰ'ইন জব্দ কৰে। ঘটনা সন্দৰ্ভত টাস্ক ফ'ৰ্ছে পাঞ্জাবৰ লুধিয়ানাৰ হৰদ্বীপ সিং নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ড্ৰাগছ সৰবৰাহকাৰী সিঙে হেৰ'ইনখিনি পাঞ্জাবলৈ নিয়াৰ পৰিকল্পনাৰে ফ্লেটটোত বাহাৰ পাতি আছিল। এই সন্দৰ্ভত তথ্য লাভ কৰাৰ পাছতে বিশেষ টাস্ক ফ'ৰ্ছে ফ্লেটটোত অভিযান চলাই বৃহৎ পৰিমাণৰ হেৰ'ইনখিনি জব্দ কৰাৰ লগতে অভিযুক্ত হৰদ্বীপ সিঙক গ্ৰেপ্তাৰ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ সমীপৰ গাড়ীগাঁৱৰ পৰা পূব ধাৰাপুৰ সংযোগী এখন দলং মুকলি কৰে। ২ কোটি ৫৬ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা এই দলংখনে গুৱাহাটী মহানগৰৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

দলংখন উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ যোগাযোগ ব্যৱস্থাক অধিক সহজ, সুৰক্ষিত আৰু সুচল কৰি তুলিবলৈ ৰাজ্যৰ এহেজাৰতকৈও অধিক কাঠৰ জৰাজীৰ্ণ দলং সকলো বতৰ অনুকূল হোৱাকৈ পকী দলঙলৈ ৰূপান্তৰ কৰা হৈছে। ইয়াৰ জৰিয়তে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাৰ লগতে জনসাধাৰণৰ বাবে চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ সুবিধা অধিক সহজে আৰু দ্ৰুতগতিত উপলব্ধ কৰিব পৰা যাব বুলি ড০ শৰ্মাই উল্লেখ কৰে। কাৰ্যসূচীৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰুৱাপাৰাৰ ২ নম্বৰ উপ-পথত এটা কালভাৰ্ট মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণতে কেওটপাৰাত থকা শ্ৰীশ্ৰী মা মনসা মন্দিৰো দৰ্শন কৰে।

০০০০০

সমাপ্ত